জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৪৩৫/২০২০

## স্বৰ্গদেউ চাওল্যুং চ্যুকাফা আৰু আহোম সম্প্ৰদায়ৰ বিৰুদ্ধে সামাজিক মাধ্যমত কটু মন্তব্য কৰা পশ্চিমবংগৰ গৰ্গ চেটাৰ্জীক শীঘ্ৰে গ্ৰেপ্তাৰ কৰাৰ বাবে মহানগৰ আৰক্ষী আয়ুক্তক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

## মুখ্যমন্ত্ৰীৰ নিৰ্দেশৰ ভিত্তিত আজি নিশাই কলকাতালৈ ৰাওনা হ'ব উপ-আৰক্ষী আয়ুক্ত (অপৰাধ শাখা)ৰ নেতৃত্বত তিনিজনীয়া আৰক্ষী গোট

**দিছপুৰ, ১৯ জুনঃ** বৰ অসমৰ ভেটি গঢ়োঁতা স্বৰ্গদেউ চাওল্যুং চ্যুকাফা আৰু আহোম সম্প্ৰদায়ৰ বিৰুদ্ধে সামাজিক মাধ্যমত কটু মন্তব্য কৰা পশ্চিমবংগৰ গৰ্গ চেটাৰ্জীক শীঘ্ৰে গ্ৰেপ্তাৰ কৰি অসমলৈ আনিবলৈ গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্তক মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে নিৰ্দেশ দিছে। পশ্চিমবংগৰ এই গৰাকী ব্যক্তিক গ্ৰেপ্তাৰৰ বাবে আজিয়েই কলকাতালৈ ৰাওনা হোৱাৰ ব্যৱস্থা ল'বলৈ মহানগৰ আৰক্ষী আয়ুক্তক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে।

আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে চাওল্যুং চ্যুকাফা হ'ল বৃহত্তৰ অসমীয়া জাতিৰ ভেটি গঢ়োঁতা। অসমীয়া জাতিৰ হিয়াৰ আমঠু তথা চিৰনমস্য এইগৰাকী প্ৰবাদপ্ৰতীম মনীষীৰ বিৰুদ্ধে কটু মন্তব্য কৰাটো বিকৃত মানসিকতাৰ পৰিচায়ক আৰু অত্যন্ত গৰিহণাৰ যোগ্য। ইতিহাসৰ অপবাখ্যাৰে আহোম সম্প্ৰদায়ৰ বিৰুদ্ধে সামাজিক মাধ্যমৰ জৰিয়তে কৰা কটুক্তিও সমানেই গৰিহণাযোগ্য। এনে ধৰণৰ কটু মন্তব্যই অসমৰ নিচিনা বিভিন্ন ভাষা-ভাষী, জনগোষ্ঠীৰে পৰিপূৰ্ণ ৰাজ্যত সমন্বয় ব্যাহত কৰাৰ লগতে আইন-শৃংখলাৰো অৱনতি ঘটাব পাৰে বুলি মুখ্যমন্ত্ৰীয়ে কয়। এই মন্তব্যই অসমৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ মনত আঘাত হানিছে বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। সেয়েহে এনেধৰণৰ মন্তব্য কৰা ব্যক্তিৰ বিৰুদ্ধে আইন সংগত ব্যৱস্থা লোৱাটো নিতান্তই জৰুৰী যাতে ভৱিষ্যতে কোনো ব্যক্তিয়ে এনেধৰণৰ মন্তব্য কৰাৰ পৰা বিৰত থাকে আৰু ইতিহাসৰ বৰেণ্য ব্যক্তিৰ প্ৰতি সদায়ে শ্ৰদ্ধাশীল হৈ থাকে।

আনহাতে মুখ্যমন্ত্ৰীৰ নিৰ্দেশৰ পিছতে মহানগৰ আৰক্ষী আয়ুক্তই উপ-আৰক্ষী আয়ুক্ত (অপৰাধ শাখা) বৰুণ পুৰকায়স্থৰ নেতৃত্বত তিনিজনীয়া আৰক্ষী গোটক কলকাতালৈ ৰাওনা হোৱাৰ বাবে নিৰ্দেশ দিয়ে। আজি নিশাই এই দলটো কলকাতালৈ ৰাওনা হ'ব। ইতিমধ্যে অসম আৰক্ষীৰ অপৰাধ শাখাত এই সম্পৰ্কীয় এটা গোচৰ ৰুজু কৰাৰ উপৰি উচটনিমূলক বক্তব্যৰ বাবে আন চাৰিটা গোচৰ গৰ্গ চেটাৰ্জীৰ বিৰুদ্ধে ৰুজু হৈ আছে।

**পুঃডেঃ / বঃভাঃ**
**১৯/৬/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in